নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জোতা পিন্ধাৰ ক্ষেত্ৰত, চুলি ফণিওৱাৰ ক্ষেত্ৰত, পৱিত্ৰতা অৰ্জনৰ ক্ষেত্ৰত, আনকি তেখেতে সকলো (ভাল কামৰ) ক্ষেত্ৰতে সোঁফালৰ পৰা আৰম্ভ কৰাটোক পছন্দ কৰিছিল।

উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জোতা পিন্ধাৰ ক্ষেত্ৰত, চুলি ফণিওৱাৰ ক্ষেত্ৰত, পৱিত্ৰতা অৰ্জনৰ ক্ষেত্ৰত, আনকি তেখেতে সকলো (ভাল কামৰ) ক্ষেত্ৰতে সোঁফালৰ পৰা
আৰম্ভ কৰাটোক পছন্দ কৰিছিল। [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সন্মানযোগ্য তথা সকলো প্ৰকাৰ ভাল কাম সোঁফালেৰে আৰম্ভ কৰাটোক পছন্দ কৰিছিল তথা সোঁ হাতক প্ৰাধান্য দিছিল। গতিকে জোতা পিন্ধাৰ ক্ষেত্ৰত প্ৰথমে সোঁ ভৰিত পিন্ধিব লাগে, এইদৰে চুলি আৰু দাঢ়ি ফণিওৱাৰ ক্ষেত্ৰত আৰু তেল আদি দিয়াৰ ক্ষেত্ৰতো সোঁফালৰ পৰা আৰম্ভ কৰিব লাগে, এইদৰে অজু কৰাৰ সময়ত বাওঁ ভৰি আৰু বাওঁ হাতৰ আগত সোঁ ভৰি ধুব লাগে।

http://www.sunnah.global/hadeeth/as/show/3018